**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাৰাঠী, পালী, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে আনন্দ প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানত এখন নিকা আৰু সুস্থ সমাজৰ বাবে আধ্যাত্মিকতা শীৰ্ষক এখন গোলকীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিছে।

৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ চৰকাৰী কাৰ্যসূচীৰে আজি শ্ৰীলংকাত উপস্থিত হৈছে।

৪। উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত আজি পুৱতিনিশা ট্ৰাক আৰু ট্ৰেক্টৰ ট্ৰলীৰ মাজত সংঘটিত পথ দুৰ্ঘটনাত ১০ জন লোক নিহত হোৱাৰ লগতে ৩ জন লোক আহত হয়।

*আৰু*

৫। শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাৰাঠী, পালী, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে আনন্দ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে, আমাৰ চৰকাৰে ভাৰতৰ চহকী ঐতিহ্য আৰু সংস্কৃতিক সমন্বয়ৰ দোলেৰে বান্ধি স্বীকৃতি দি আহিছে। তেওঁ কয় যে, আঞ্চলিক ভাষাসমূহক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও ই প্ৰমাণ কৰে। এই ভাষাসমূহে আমাৰ সাংস্কৃতিক বিচিত্ৰতাক প্ৰদৰ্শন কৰি আহিছে বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে, কেন্দ্ৰীয় কেবিনেটে চেন্নাই মেট্ৰ' ৰে'ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ বাবে জনোৱা অনুমোদনে যাতায়াত সুচল কৰাৰ লগতে বহনক্ষম অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব। শ্ৰী মোদীয়ে চেন্নাই আৰু তামিলনাডুৰ জনসাধাৰণক চেন্নাই- মেট্ৰ' ৰে'ল প্ৰকল্পত কেবিনেটে জনোৱা অনুমোদনৰ বাবে অভিনন্দন জ্ঞাপন কৰে। ইপিনে খোৱা তেল আৰু তৈল বীজৰ ৰাষ্ট্ৰীয় অভিযান সন্দৰ্ভত চৰকাৰৰ সিদ্ধান্ত সম্পৰ্কে প্ৰধানমন্ত্ৰীয়ে কয় যে, আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁ কয় যে, এই অভিযানে ঘৰুৱা তৈল বীজ উৎপাদনক উদগনি যোগোৱাৰ লগতে কঠোৰ পৰিশ্ৰমী কৃষকসকলক সমৰ্থন আৰু দীৰ্ঘস্থায়ী কৃষি কাৰ্যক অনুপ্ৰাণিত কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুক্তি যুজাৰু শ্যামজী কৃষ্ণ বাৰ্মাৰ জন্ম দিৱস উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে শ্যামজী কৃষ্ণ বাৰ্মাৰ দেশৰ প্ৰতি থকা ত্যাগৰ মনোভাব আৰু অদম্য সাহসে উঠি অহা প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰিব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁৰ বৈপ্লৱিক কামকাজসমূহে দেশৰ স্বাধীনতা ঘূৰাই অনাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানত এখন নিকা আৰু সুস্থ সমাজৰ বাবে আধ্যাত্মিকতা শীৰ্ষক এখন গোলকীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিছে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয় যে, আধ্যাত্মিকতাৰ জৰিয়তে কেৱল ব্যক্তিগত জীৱনৰে নহয়, সমাজ তথা পৃথিৱীয়ে সম্প্ৰতি সন্মুখীন হোৱা বিভিন্ন সমস্যাও সমাধন কৰিব পৰা যায়। এই সন্মিলনখন আবু ৰোডত  ব্ৰহ্মকুমাৰী সংস্থানে আয়োজন কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে, পৃথিৱীৰ প্ৰায় সকলো ঠাইতে বৰ্তমান মানৱীয় প্ৰমূল্যৰ অৱনতী ঘটাৰ সময়ত শান্তি আৰু একতাৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পাইছে। তেওঁ কয় যেয বৰ্তমান পৃথিৱী জলবায়ু, প্ৰদূষণ আৰু গোলকীয় উষ্ণতাৰ কু-প্ৰভাবৰ গ্ৰাসত পৰিছে। এনে কঠিন সময়ত এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ সকলোৰে যথাসম্ভৱ প্ৰচেষ্টা কৰাতো আমাৰ দায়িত্ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ ভাৰত চৰকাৰৰ এজোপা গছপুলি মাতৃৰ নামত শীৰ্ষক অভিযানত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ চৰকাৰী কাৰ্যসূচীৰে আজি শ্ৰীলংকাত উপস্থিত হৈছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়াকে বিগত সপ্তাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত ভাৰত আৰু শ্ৰীলংকাৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে এয়া হ'ব প্ৰথম উচ্চ পৰ্যায়ৰ ভ্ৰমণ। ড০ জয়শংকৰে শ্ৰীলংকাৰ ৰাষ্ট্ৰীপতিগৰাকীৰ লগতে প্ৰধানমন্ত্ৰী ড০ হাৰিনি আমাৰাছুৰীয়াক সাক্ষাৎ কৰিব। তেওঁ লগতে শ্ৰীলংকাৰ বিদেশ মন্ত্ৰীগৰাকীকো সাক্ষাৎ কৰাৰ কথা। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিক প্ৰতিফলিত কৰি দ্বীপ ৰাষ্ট্ৰখনক সহায়ৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতাক পুনৰ প্ৰতিষ্ঠা কৰিলে। এই ভ্ৰমণে লগতে  দুয়োখন দেশৰ মাজত দীৰ্ঘদিন ধৰি অব্যাহত থকা পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰিব।

০০০০০০০

উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত আজি পুৱতিনিশা ট্ৰাক আৰু ট্ৰেক্টৰ ট্ৰলীৰ মাজত সংঘটিত পথ দুৰ্ঘটনাত ১০ জন লোক নিহত হোৱাৰ লগতে ৩ জন লোক আহত হয়। আহত সকলক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁলোকক উচিত চিকিৎসা প্ৰদানৰ নিৰ্দেশ দিয়ে।

ইপিনে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰি ৰাজ্য চৰকাৰৰ তত্বাৱধানত স্থানীয় প্ৰশাসনে ভুক্তভোগীক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। আনহাতে মিৰ্জাপুৰৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেলেও গভীৰ শোক প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিৰ্জাপুৰ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলক দুইলাখ টকাৰ অনুগ্ৰহ ৰাশি প্ৰদান

কৰাৰ কথা ঘোষণা কৰিছে। লগতে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজীৰ অধিনত আহতসকলক ৫০ হাজাৰ টকা প্ৰদান কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০০০

ভাৰত, নেপাল আৰু বাংলাদেশে ভাৰতৰ পাৱাৰগ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ ৰপ্তানি কৰাৰ বাবে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছে। কালি কাঠমাণ্ডুত স্বাক্ষৰিত এই ত্ৰিপাক্ষিক চুক্তিৰ ফলত নেপাল প্ৰথম বাৰৰ বাবে বাংলাদেশক বিদ্যুৎ বিক্ৰী কৰিবলৈ সক্ষম হ'ব। ইয়াৰ আগতে নেপালে কেৱল ভাৰতলৈ বিদ্যুৎ ৰপ্তানি কৰি আহিছে। এই চুক্তিয়ে নেপালৰ বিদ্যুৎ শক্তি ভাৰতীয় ভূখণ্ডলৈ ৰপ্তানিৰ জৰিয়তে দুয়োখন দেশৰ মাজত বাণিজ্যিক আন্তঃগাঁথনি শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। চুক্তি অনুসৰি ভাৰতে বাংলাদেশলৈ একে পৰিমাণৰ বিদ্যুৎ প্ৰেৰণ কৰাৰ আগতে নেপালে ৪০০ কিলোৱাট বিদ্যুৎ শক্তি ধলকেবাৰ-মুজাফৰপুৰ ট্ৰেন্সমিছন লাইনৰ জৰিয়তে ভাৰতলৈ প্ৰেৰণ কৰিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে তিৰুমালা তিৰুপতি মন্দিৰত প্ৰসাদ হিচাপে দিয়া লাড়ু প্ৰস্তুতৰ বাবে ভেজাল ঘীৰ ব্যৱহাৰ সন্দৰ্ভত উঠা অভিযোগৰ তদন্তৰ বাবে এটা স্বাধীন বিশেষ তদন্তকাৰী গোট গঠন কৰিবলৈ নিৰ্দেশ দিছে। এই বিশেষ তদন্তকাৰী গোট দুগৰাকী চি বি আই বিষয়া, অন্ধ্ৰপ্ৰদেশৰ দুগৰাকী আৰক্ষী বিষয়া আৰু ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষ এগৰাকী বিষয়াক লৈ গঠন কৰা হৈছে। চি বি আইৰ সঞ্চালকে এই তদন্ত পৰ্যৱেক্ষণ কৰিব। এই গোচৰটোৰ সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰি আজি সৰ্বোচ্চ ন্যায়ালয়ে কয় যে, বিষয়টোৰ সন্দৰ্ভত উঠা অভিযোগ আৰু প্ৰতিঅভিযোগৰ কোনো যথাৰ্থতা দেখা পোৱা হোৱা নাই আৰু এই সন্দৰ্ভত গ্ৰহণ কৰা আদালতৰ সিদ্ধান্তক ৰাজনৈতি কাৰণত ব্যৱহাৰ কৰা উচিত নহয়। তিৰুমালা মন্দিৰৰ কোটি কোটি ভক্তৰ অনুভৱৰ প্ৰতি লক্ষ্য ৰাখি আদালতে এই নিৰ্দেশ প্ৰদান কৰিছে বুলিও শীৰ্ষ আদালতে স্পষ্ট কৰি দিয়ে। উল্লেখযোগ্য যে শীৰ্ষ আদালতে জ্যেষ্ঠ বিজেপি নেতা সুব্ৰমণিয়ন স্বামী, ৰাজ্যসভাৰ সাংসদ আৰু প্ৰাক্তন অ্যধক্ষ তথা তিৰুমালা তিৰুপতি দেৱস্থানম ৱাই ভি ছুববাৰেড্ডি আৰু ইতিহাসবিদ বিক্ৰম সম্পতৰ লগতে আন ভালেমান লোকৰ আবেদনৰ শুনানি গ্ৰহণ কৰে।

০০০০০০০

হাৰিয়ানাৰ ৯০ জনীয়া বিধানসভাৰ বাবে কাইলৈ এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত মুঠ এহেজাৰ ৩১গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত ৯৩০জন পুৰুষ আৰু ১০১গৰাকী মহিলা প্ৰাৰ্থী

আছে। হাৰিয়ানাৰ মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে কয় যে এই প্ৰাৰ্থীসকলৰ ভিতৰত ৪৬৪গৰাকী নিৰ্দলীয় প্ৰাৰ্থীও আছে। কাইলৈ ৰাজ্যখনৰ ২ কোটিতকৈও অধিক ভোটদাতাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইতিমধ্যে এই নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে মুঠ ২০ হাজাৰ ৬৩২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগ্ৰহণ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ অনুষ্ঠিত হ'ব।

০০০০০০০

তৃতীয় ৰাষ্ট্ৰীয় ফ্ল'ৰ কাৰ্লিং প্ৰতিযোগিতা আজি পডুচেৰীৰ ৰাজীৱ গান্ধী ইন্দোৰ ষ্টেডিয়ামত আৰম্ভ হৈছে। কাৰ্লিং ফেডাৰেচন অব ইণ্ডিয়া আৰু কাৰ্লিং পডুচেৰীয়ে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পডুচেৰীৰ গৃহমন্ত্ৰী এ নামশিৱায়মে দুদিনীয়া এই প্ৰতিযোগিতা উদ্বোধন কৰে। এই প্ৰতিযোগিতাত অৰুণাচল প্ৰদেশ, মণিপুৰ, ছিকিম, হাৰিয়ানা, হিমাচল প্ৰদেশ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুকে ধৰি ২২ খন ৰাজ্যৰ ৫০০ কৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত ছফী ডিভাইন নেতৃত্বাধীন নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, আজি বিয়লিঅনুষ্ঠিত হ'বলগীয়া আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত এই খেলৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে।

০০০০০০০

**সমাপ্ত**